অধ্যায় ৯ ঃ চুলতানসকলৰ যুগত কলা আৰু সাহিত্য

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ চুলতানসকল যুগত চাৰুকলা
- স্থাপত্য
- ভাস্কর্য আৰু চিত্রকলা

৯.৪ সংগীত, নৃত্য আৰু নাটকৰ অগ্রগতি
৯.৫ সংস্কৃত আৰু আঞ্চলিক ভাষাৰ সাহিত্যৰ বিকাশ
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতি খতিয়ান
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- চুলতানী আমোলত স্থাপত্য, ভাস্কর্য, চাৰুকলা আৰু চিত্রকলাৰ প্রগতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- দিল্লীৰ চুলতানী আমোলত সংগীত, নৃত্য আৰু নাটকৰ প্রগতিৰ বিষয়ে বর্ণনা কৰিব পাৰিব, আৰু
- এই সময়ছোৱাত সংস্কৃত আৰু আঞ্চলিক ভাষাৰ সাহিত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ ঃ পৰিচয়

পূর্বৰ অধ্যায়ত আমি গুপ্ত যুগৰ পৰৱর্তী সময়ছোৱাত সাহিত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত আমি চুলতানী আমোলত কলা আৰু সাহিত্যৰ বিকাশ সম্বন্ধে আলোচনা কৰিম। ১৩শ শতিকাৰ আৰম্ভণিত চুলতানী আমোলত নতুন সাংস্কৃতিক বিকাশৰ ভেঁটি নির্মাণ হৈছিল বুলি ক'ব পাৰি। দিল্লীত চুলতানী আমোলৰ প্রতিষ্ঠাতা হিচাপে তুর্কীসকল কেৱল ইছলাম ধর্মতে দৃঢ় বিশ্বাসী নাছিল। বৰঞ্চ তেওঁলোক প্রশাসন, কলা, স্থাপত্য, সাহিত্য আদি সকলোতে পার্গত আছিল। ভাৰতীয় জনসাধাৰণৰ সৈতে হোৱা তেওঁলোকৰ সম্পর্কই ভাৰতত এক নতুন আৰু চহকী সংস্কৃতিক আদৰণি জনাইছিল। এই সম্পর্কই কেৱল চিন্তাধাৰাসমূহৰে সংমিশ্রণ ঘটোৱা

নাছিল, সাংস্কৃতিক দিশতো বহুলভাৱে প্ৰভাৱ পেলাইছিল। এইদৰে দিল্লীৰ চুলতানী আমোলে কলা-সংস্কৃতিৰ নতুন ৰূপৰ পৰিচয় বহন কৰিছিল আৰু ভাৰতৰ সাহিত্য-সংস্কৃতি আদিৰ ক্ষেত্ৰতো উল্লেখনীয় পৰিৱৰ্তন কঢ়িয়াই আনিছিল।

জানি থোৱা ভাল



দিল্লীত চলা চুলতানসকলৰ শাসনকালত মুঠ পাঁচটা ৰাজবংশ ক্ষমতালৈ আহিছিল। বংশকেইটা হ'ল মাম্‌লাকৰ দাস বংশ, খল্‌জী বংশ, টুঘলক বংশ, চৈয়দ বংশ আৰু লোডী বংশ। লোডী বংশই ১২০৬ খৃষ্টাব্দৰ পৰা ১৫২৬ খৃষ্টাব্দলৈ দিল্লী শাসন কৰিছিল। লোডীসকলৰ শেষ চুলতান ইব্ৰাহিম লোডীক পৰাস্ত কৰি বাবৰে ভাৰতত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। লোডীসকলৰ শেষ চুলতান ইব্ৰাহিম লোডীক পৰাস্ত কৰি বাবৰে ভাৰতত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

৯.৩ চুলতানসকলৰ যুগত চাৰুকলা

● স্থাপত্য

দিল্লীৰ চুলতানী আমোলৰ শাসন কালছোৱাই কলা, স্থাপত্য আৰু চিত্ৰশিল্পৰ এক সুকীয়া পৰিচয় দাঙি ধৰে। যদিও প্ৰথম অৱস্থাত তুৰ্কীসকলে ভাৰতত কিছুমান মঠ-মন্দিৰ ভাঙি সেইসমূহৰ ঠাইত মছজিদ নিৰ্মাণ কৰিছিল, পিছলৈ অৱশ্যে তেওঁলোকে নিজাকৈ কিছুমান অট্টালিকা সাজিছিল। এই উদ্দেশ্যে তেওঁলোকে থলুৱা কাৰুশিল্পী, যেনে— মিস্ত্ৰী, শিলাকুটি আদি নিয়োজিত কৰিছিল। ইয়াৰ পিছত পশ্চিম এছিয়াৰ পৰা ভাৰতলৈ স্থাপত্য শিল্পীসকল আহিছিল। চুলতানী আমোলত স্থাপত্য নিৰ্মাণৰ ক্ষেত্ৰত টো খেলা আকাৰৰ আৰ্হি আৰু গম্বুজৰ ব্যৱহাৰ বাঢ়ি আহিছিল। গম্বুজৰ ব্যৱহাৰে শীৰ্ষ ভাগত একোটি সুন্দৰ আৰু নান্দনিক মাত্ৰা প্ৰদান কৰিছিল। একেদৰে স্থাপত্য আৰু গম্বুজসমূহৰ ব্যৱহাৰ হোৱাৰ ফলত চালখন ধৰি ৰাখিবৰ বাবে বহুসংখ্যক স্তম্ভৰ প্ৰয়োজন হৈছিল। এইসমূহ পিছলৈ অধিক মানুহ গোট খাব পৰা সভাঘৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ উপৰি তেওঁলোকে অট্টালিকাসমূহত উন্নত মানৰ আৰু পাতল উৰাল ব্যৱহাৰ কৰিছিল, যাতে স্থাপত্য আৰু গম্বুজবিলাকৰ উন্নত বুনিয়াদ তৈয়াৰ হয়। সেয়ে তুৰ্কীসকলৰ আগমনৰ লগে লগে এই নতুন ধৰণৰ স্থাপত্য আৰু উৰাল উত্তৰ ভাৰতত জনপ্ৰিয় হৈ পৰিছিল।

চুলতানী স্থাপত্য শৈলীৰ অট্টালিকাসমূহৰ ভিতৰত কুতুবুদ্দিন আইবাকে দিল্লীৰ কীৰ্তিচিহ্ন হিচাপে আৰম্ভণি পৰ্যায়তে কুৱাত-উল-ইচলাম মছজিদ আৰু কুতুব মিনাৰ সাজিছিল। এই কীৰ্তিচিহ্নসমূহত ভাৰতত ইচলামধৰ্মী শাসকৰ আধিপত্যৰ আৰম্ভণিৰ কালছোৱাত বিকাশ হোৱা ইচলামিক স্থাপত্যৰ নিদৰ্শন পোৱা যায়। কুতুবুদ্দিন আইবাকে আৰম্ভ কৰা অন্যতম কীৰ্তিচিহ্ন আছিল কুতুব মিনাৰ। ইয়াৰ নিৰ্মাণ তেওঁৰ পৰৱৰ্তী শাসক ইলতুতমিছে সম্পূৰ্ণ কৰিছিল। এই মিনাৰৰ উচ্চতা আছিল ৭১.৪ মিটাৰ, যিটো মমবাতি সদৃশ আকাৰত নিৰ্মাণ কৰা হৈছিল।

আৰম্ভণিতে এই মিনাৰটো চাৰি মহলীয়া আছিল যদিও ফিৰোজ তোগলকে ইয়াত পঞ্চম মহলা এটা সংযোগ কৰিছিল। ইলতুতমিছৰ অধীনত দিল্লীত চুলতানী আমোলে খোপনি পোতাৰ পিছত সজা অধিকসংখ্যক অট্টালিকাতে তুৰ্কী গৃহসজ্জাৰ ধাৰাবাহিক প্ৰভাৱ পৰা কথাৰ সাক্ষী বহন কৰে। বাদাউনৰ মছজিদ, নাগৌৰৰ হেলনীয়া তোৰণ, ইলতুতমিছৰ সমাধি আদিত হিন্দু আৰু মুছলমান স্থাপত্য শৈলীৰ সংমিশ্ৰণৰ কথা প্ৰমাণ দিয়ে। ১৩শ শতিকাৰ দ্বিতীয় অৰ্ধত মংগোলসকলক অনুসৰণ কৰি পশ্চিম এছিয়াৰ পৰা মৃৎশিল্পীসকলৰ আগমন ঘটে। তেওঁলোকৰ কলা-কুশলী কাৰ্যই সৰল স্থাপত্য আৰু সাধাৰণ সমাধিক্ষেত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নতুন ধাৰাৰ সূচনা কৰে আৰু এই ধাৰাটোৰ প্ৰভাৱ ইলতুতমিছৰ পৰৱৰ্তী শাসক বলবনৰ সমাধিটোত দেখা পোৱা যায়।



চিত্ৰ ১ ঃ কুতুব মিনাৰ

উৎস ঃ www.wikepedia.org

খিলজি আমোলে ইণ্ডো-ইছলামিক স্থাপত্যত এক উল্লেখনীয় প্ৰগতি সূচনা কৰে। ভাৰতীয় আৰু ইছলামিক স্থাপত্য শৈলীৰ সংমিশ্ৰণ আলাউদ্দিন খিলজিৰ শাসন কালৰ এক বিশেষ বৈশিষ্ট্য আছিল। এই শৈলীৰ আটাইতকৈ উল্লেখনীয় উদাহৰণ আছিল ১৩১১ খ্ৰীষ্টাব্দত আলাউদ্দিন খিলজিৰ দ্বাৰা নিৰ্মিত আলাই দৰৱাজা। সংবৰ্ধিত ৰূপত সজা কুৰাত-উল-ইচলাম মছজিদৰ দক্ষিণ দিশৰ দেৱালৰ মূল বাট আছিল এই দুৱাৰ। ভাৰতৰ এই কীৰ্তিচিহ্নতে সৰ্বপ্ৰথমে ইচলাম ধৰ্মৰ নিৰ্মাণশৈলী আৰু জ্যামিত্যিক পৰিমাপৰ সজ্জাৰ সঠিক প্ৰয়োগ হৈছিল। এই আলাই দৰৱাজাই ৰঙা বালিশিল আৰু মাৰ্বলৰ প্ৰয়োগৰ নিৰ্দশনো দাঙি ধৰে। আলাউদ্দিন খিলজিয়ে কুতুব মিনাৰৰ পৰা কেইমাইলমান দূৰৰ ছিৰিত তেওঁৰ ৰাজধানী নিৰ্মাণ কৰিছিল। এই সময়ছোৱাতে মছজিদ স্থাপত্য কলাৰো বিকাশ সাধিত হৈছিল। চুফী মৌলবী নিজামুদ্দিন আউলিয়াৰ সমাধিক্ষেত্ৰত সজা জামানত খানা মছজিদ সেই সময়ৰ স্থাপত্য শিল্পৰ উৎকৃষ্ট নিদৰ্শন। টোঘলকী আমোলত অৱশ্যে ইণ্ডো-ইচলামিক স্থাপত্য শৈলীৰ কিছু পৰিৱৰ্তন হৈছিল। আগৰ সময়ছোৱাৰ ব্যয়বহুল

আৰু অলংকাৰিক কাৰুকার্যসমূহৰ বিপৰীতে এই সময়ৰ কীর্তিচিহ্নসমূহ অতি সৰল আছিল। ১৪শ শতিকাৰ প্ৰথম ভাগত গিয়াচুদ্দিন আৰু মহম্মদ টোঘলকে দিল্লীত তোগলকাবাদ চহৰৰ নক্সা তৈয়াৰ কৰিছিল। হেলনীয়া বেৰাৰ সৈতে নির্মাণ শৈলী সাধিত হোৱাটো তোগলকী স্থাপত্যসমূহৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ উপৰি তোগলকী শাসকসকলে তেওঁলোকৰ স্থাপত্যসমূহত ব্যয়বহুল ৰঙা বালিশিলৰ পৰিৱর্তে ধবল পাথৰ ব্যৱহাৰ কৰিছিল। ইয়াৰ পিছত টোঘলকসকলৰ পৰৱর্তী ছৈয়দ আৰু লোডী শাসকসকলেও নতুন স্থাপত্য ধাৰা গঢ় দিছিল, যাৰ ভিতৰত দ্বি-গম্বুজৰ নির্মাণ শৈলী অন্যতম। ইয়াৰোপৰি লোডীসকলে অট্টালিকাসমূহ, বিশেষকৈ সমাধিসমূহ সাধাৰণ ভূপৃষ্ঠৰ পৰা উচ্চ স্থানত সাজিছিল। কিছুমান সমাধিক্ষেত্ৰ আকৌ বাগিচাৰ ভিতৰত সজা হৈছিল। যেনে— লোডী বাগিচা। দিল্লীত অৱস্থিত এই বাগিচাত চিকন্দৰ লোডীৰ সমাধি দেখা পোৱা যায়।



চিত্ৰ ২ঃ আলাই দৰৱাজা

উৎসঃ www.asi.nic.in



চিত্ৰ ৩ঃ ফিৰোজ তোগলকৰ সমাধি

উৎসঃ www.asi.nic.in

- **ভাস্কর্য আৰু চিত্রশিল্প**

ৰাজকীয় পৃষ্ঠপোষকতাৰ অভাৱত ভাস্কর্য নির্মাণৰ ধাৰাটোৱে লাহে পূর্বৰ গুৰুত্ব হেৰুৱাই পেলাইছিল। ইয়াৰ এটা কাৰণ আছিল ইছলাম ধর্মত মানুহ আৰু জন্তুৰ অৱয়ব উপস্থাপনকলৈ থকা অন্ধবিশ্বাস। ইয়াৰ বিপৰীতে দিল্লীৰ চুলতানসকলৰ ৰাজত্বকালত নির্মিত শিলৰ গাঁনিবোৰত আৰবী ভাষাৰ হস্তলিপি (Calligraphy) জ্যামিতিক আৰু ফুল-পাতৰ নক্সা খোদিত কৰা হৈছিল। অৱশ্যে দিল্লীৰ চুলতানৰ শাসন এক্তিয়াৰ বাহিৰৰ অঞ্চলবোৰত স্থানীয় হিন্দু শাসকসকলে মন্দিৰ নির্মাণৰ কাম অব্যাহত ৰাখিছিল আৰু এই মন্দিৰবোৰত সুন্দৰ সুন্দৰ ভাস্কর্য স্থাপন কৰিছিল। ওড়িশা আৰু অসমত ইয়াৰ প্রমাণ পোৱা যায়।

মানুহৰ অৱয়ব খোদিত কৰাৰ বিৰুদ্ধে ইছলামধর্মীয় বাধা-নিষেধ থকা সত্বেও দিল্লীৰ চুলতানসকলে পাৰস্য-ভাৰত শৈলীৰ চিত্রশিল্পৰ পোষকতা কৰিছিল। এই সময়ছোৱাৰ চিত্র কলাত ইৰাণী আৰু জৈন চিত্র শৈলীৰ প্রভাৱ স্পষ্ট। এই চিত্রশিল্পবোৰৰ বিশেষত্ব আছিল সদৃশ ৰূপত থকা মানুহৰ লানি, চিত্রৰ প্রস্থতা জুৰি আঁকা শোভাবর্দ্ধনকাৰী সংকীর্ণ পটি আৰু উজ্বল ৰঙাৰ ব্যৱহাৰ। দিল্লীৰ চুলতানসকলৰ ৰাজত্বকালত বিকশিত হোৱা চিত্রশিল্পই পৰৱর্তী সময়ত মোগল আৰু ৰাজপুত চিত্রশৈলীৰ বিকাশৰ পথ সুগম কৰি তুলিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক) চুলতানী আমোলত ..... আৰু .....ৰ ব্যৱহাৰ ক্রমান্বয়ে বৃদ্ধি পাইছিল।,.....

(খ) .....ৰ ব্যৱহাৰে দিল্লীত চুলতানী আমোলত গৃহসজ্জাৰ উদ্দেশ্যক প্রতিফলিত কৰিছিল।

৯.৪ সংগীত, নৃত্য আৰু নাটকৰ অগ্রগতি

দিল্লীৰ চুলতানী আমোলে কেৱল ধর্মীয় বিশ্বাস, স্থাপত্য আদিৰ ক্ষেত্রতে ঐক্যৰ বীজ কঢ়িয়াই অনা নাছিল। বৰঞ্চ তেওঁলোকে চাৰুকলা, বিশেষকৈ সংগীতৰ ক্ষেত্রতো এক সংমিশ্রণৰ পৰিচয় দিছিল। তুৰ্কীসকল ভাৰতলৈ আহোঁতে আৰবী সংগীতৰ চহকী পৰম্পৰা কঢ়িয়াই আনিছিল। পিছলৈ সংগীতৰ এই পৰম্পৰাকে ইৰান আৰু মধ্য এছিয়াত চর্চা কৰা হৈছিল। তুৰ্কীসকলৰ আগমনে ভাৰতত ৰাবাৰ আৰু চাৰেংগী নামৰ সংগীতৰ নতুন বাদ্যযন্ত্রৰ সূচনা কৰাইছিল। চুলতানী আমোলৰ বিখ্যাত কবি আমীৰ খুচৰুৱে সংগীতৰ জগতলৈ বিৰল অৱদান আগবঢ়াইছিল। তেওঁ বহুতো পার্চী আৰু আৰবী ৰাগ-ৰাগিণী উদ্ভাৱন কৰিছিল। তদুপৰি বিখ্যাত কাৱালীসমূহো তেৱেঁই উদ্ভাৱন কৰা বুলি জনা যায়। তোগলকী শাসনৰ সময়ছোৱাত সংগীতৰ সংমিশ্রণৰ প্রক্রিয়াটো মূলতঃ ফিৰোজ তোগলকৰ শাসন কালত হোৱা বুলি জনা যায়। তেওঁৰ শাসন কালতে ভাৰতীয় শাস্ত্রীয় সুৰৰ গ্রন্থ 'ৰাগদর্পণ' পার্চী ভাষালৈ অনুবাদ কৰা হৈছিল। ভাৰতীয় সংগীতৰ ক্ষেত্রত চুফী

প্ৰভাৱ এক উল্লেখযোগ্য পৰিঘটনা। জৌনপুৰৰ শাসক চুলতান হোছেইন শ্বাৰকি সংগীতৰ এগৰাকী প্ৰখ্যাত পৃষ্ঠপোষক আছিল। এই যুগৰে চুফী সাধক পীৰ বধান এগৰাকী বিখ্যাত সংগীতজ্ঞ আছিল। অসমত আজান ফকীৰ আৰু বংগৰ লল্লন ফকীৰে নিজৰ চৰনাসমূহ বিভিন্ন সম্প্ৰদায়ৰ মাজত জনপ্ৰিয় কৰি তোলাত সক্ষম হৈছিল। তেওঁলোকৰ গীত আজিৰ দিনতো বহুত জনপ্ৰিয়।

বাৰাণীৰ বৰ্ণনাত মহিলা নৃত্যশিল্পীৰ উল্লেখ আছে। অৱশ্যে এই নৃত্যশিল্পীসকলে ইৰানী নে ভাৰতীয় গীত-নৃত্যৰ পৰম্পৰা অনুসৰম কৰিছিল সেয়া নিশ্চিতকৈ ক'ব পৰা নাযায়। বাৰাণীয়ে তেওঁৰ ৰচনা 'তাৰিখ-ঈ-ফিৰুজশ্বাহী'ত উল্লেখ কৰিছে যে ত্ৰয়োদশ শতিকাৰ শেষাৰ্ধত ভাৰতীয় নগৰবধূসকলে গাভৰু ছোৱালীক পাৰস্য আৰু ভাৰতীয় শৈলীৰ সংগীতৰ প্ৰসিক্ষণ দিছিল।

৯.৫ সংস্কৃত আৰু আঞ্চলিক ভাষাৰ সাহিত্যৰ বিকাশ

এই সময়ছোৱাত সাহিত্যৰ জগতত উল্লেখযোগ্য বিকাশ সাধন হৈছিল, যদিও অধিকসংখ্যক সাহিত্য আৰবী ভাষাতে সৃষ্টি হৈছিল। তথাপি ভাৰতলৈ অহা তুৰ্কীসকল পাৰ্চী ভাষাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। পাৰ্চী ভাষা ১০ম শতিকাৰ পৰাই ইৰান আৰু মধ্য এছিয়াত সাহিত্য সাধনাৰ ভাষা আৰু প্ৰশাসনিক ভাষা হিচাপে পৰিগণিত হৈছিল। এই সময়ছোৱাত পাৰ্চী ভাষাত সাহিত্য চৰ্চা হোৱাৰ বাদেও আঞ্চলিক ভাষা আৰু সংস্কৃত ভাষা সাহিত্যৰ যথেষ্ট বিকাশ হৈছিল। সংস্কৃত সাহিত্যৰ ক্ষেত্ৰত কবিতা, ক্যাবিক বৰ্ণনা, নাটক, ঔষধি জ্ঞানৰ চৰ্চা, জ্যোতিষ চৰ্চা, সংগীত আদি উল্লেখযোগ্য। ১২শ আৰু ১৬শ শতিকাত হিন্দু আইনৰ ব্যাখ্যা আগবঢ়াই বহুসংখ্যক ধৰ্মশাস্ত্ৰ ৰচনা কৰা হৈছিল। ১২শ শতিকাত ৰচিত হিন্দু আইনৰ মূল আধাৰ স্বৰূপ 'বিজ্ঞানেশ্বৰ'ৰ ব্যাখ্যা 'মিতাক্ষৰ'ত আগবঢ়োৱা হৈছিল। অধিকসংখ্যক সংস্কৃত সাহিত্যৰ সৃষ্টি দক্ষিণ ভাৰতত হৈছিল, যিখিনি হিন্দু শাসকসকলৰ পৃষ্ঠপোষকতাত বংগ, মিথিলা, পশ্চিম ভাৰতত বিয়পি পৰিছিল। জৈনসকলেও সংস্কৃত সাতিত্যৰ বিকাশত বৰঙণি আগবঢ়াইছিল। তেওঁলোকৰ ভিতৰত হেমচন্দ্ৰ সুৰী অন্যতম। ইচলামী সাহিত্য সংস্কৃতলৈ অনুবাদ কৰাৰ সামান্য প্ৰচেষ্টাও তেতিয়া হাতত লোৱা হৈছিল। আঞ্চলিক ভাষাৰ বিকাশৰ চৰ্চাও সমান্তৰালভাৱে ভাৰতত চলি আছিল।

বংগত আঞ্চলিক ভাষা সাহিত্যৰ বিকাশে বৈষ্ণৱী গীতৰ ৰূপ লৈছিল। এই সমূহ হিন্দু ধৰ্ম আৰু ইচলামধৰ্মী লোকৰ ভক্তিমূলক গীত আছিল। এই সময়ছোৱাত হিন্দী ভাষাতো সাহিত্যৰ যথেষ্ট চৰ্চা হৈছিল। 'পৃথ্বীৰাজ ৰাছো' গ্ৰন্থৰ লেখক চান্দ বৰদৈ সেই সময়ৰ এজন প্ৰখ্যাত লেখক। আঞ্চলিক ভাষাৰ বিকাশত উদগনি যোগোৱাত ভক্তি আন্দোলনে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ভক্তি মাৰ্গৰ সাধকসকলে আঞ্চলিক ভাষাত ৰচিত গীতসমূহ গাই ভক্তিৰ বাৰ্তাসমূহ জনপ্ৰিয় কৰি তুলিছিল। ইয়াৰ উপৰি চুফী সাধকসকলে তেওঁলোকৰ সংগীতত হিন্দী ভাষাৰ ভক্তি কবিতাসমূহ ব্যৱহাৰ কৰিছিল। বহুসংখ্যক শাসকে সেইসময়ৰ আঞ্চলিক ভাষাসমূহৰ পৃষ্ঠপোষকতাও কৰিছিল। উদাহৰণস্বৰূপে, বংগৰ নুছৰত শ্বাহে ৰামায়ণ আৰু মহাভাৰত বঙালী ভাষালৈ অনুবাদ কৰিছিল। অসমত মাধৱ কন্দলীয়ে অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰিছিল। তুলসীদাসে হিন্দীত ৰামচৰিতমানস ৰচনা কৰিছিল। কেইবাগৰাকীও শাসক এই ভাষাবোৰৰ পৃষ্ঠপোষক আছিল।

উদাহৰণ স্বৰূপে, বংগৰ শাসক নুচৰৎ শ্বাহে ৰামায়ণ আৰু মহাভাৰত বাংলা ভাষালৈ তর্জমা কৰোৱাইছিল। এই সময়ছোৱাতহোৱা আঞ্চলিক ভাষাৰ বিকাশৰ আন এক উদাহৰণ হ'ল ভাৰতীয় মহাকাব্য দুখনৰ দ্রাবিড়ীয় ভাষালৈ হোৱা অনুবাদ। একাদশ শতিকাত কাম্বানে ৰামায়ণখন তামিল ভাষালৈ অনুবাদ কৰিছিল। ইয়াৰ পাচতেই ৰামায়ণৰ কন্নড় আৰু তেলুগুঅনুবাদ প্রকাশিত হৈছিল। ত্রয়োদশ আৰু চতুর্দশ শতিকাত শিৱভক্ত সাধূ-সন্তসকলৰ জনপ্রিয়তাই তামিল সাহিত্যৰ বিকাশত তাৎপর্যপূর্ণ প্রভাৱ পেলাইছিল। বিজয়নগৰ সাম্রাজ্যৰ শাসকসকলে সংস্কৃত, তেলুগন্ধ, কন্নড় আদি ভাষাৰ সাহিত্য সৃষ্টিত গুৰুত্বপূর্ণ পৃষ্ঠপোষকতা আগবঢ়াইছিল. আঞ্চলিক ভাষাৰ বিকাশৰ ফলত হিন্দী সাহিত্যৰ বিকাশৰ আধাৰ স্বৰূপ ব্রজভাষাৰ দৰে নতুন দোৱানৰ সৃষ্টি হৈছিল।



অগ্রগতি নিৰীক্ষণ কৰক

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰা

(ক) ——— ক চুলতানী আমোলত নায়ক উপাধি প্রদান কৰা হৈছিল।

(খ) 'পৃথ্বীৰাজ ৰাছো' গ্রন্থৰ লেখক ————।

(গ) ———— ত আঞ্চলিক ভাষাৰ সাহিত্য প্রাথমিকভাৱে বৈষ্ণৱী গীতৰ ৰূপত আছিল ।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপোনালোকে জানিব পাৰিলে—

- দিল্লীত চুলতানী আমোলত সূচনা হোৱা নতুন স্থাপত্য কলাসমূহ।
- দিল্লীত চুলতানী আমোলৰ শাসকসকলৰ অধীনত অট্টালিকাসমূহৰ নির্মাণ প্রকৃতি আৰু ধৰণ।
- সংগীত, চাৰুকলা, সংস্কৃত-আঞ্চলিক ভাষাৰ সাহিত্যৰ দিশত দিল্লীৰ চুলতানী শাসকসকলৰ পৃষ্ঠপোষকতাৰ বিস্তৃতি।



৯.৭ অধিক জানিবলৈ

1. Chandra, Satish (2010). *Medieval India from Sultanate to the Mughals* (Part One), Delhi Sultanate (1206 - 1526). N. Delhi, India : Har Anand Publication.
2. Habib, Irfan. (2007). *Medieval India- The Study of a Civilisation*. N. Delhi, India : NBT.

3. Farooqui,S.A. (2011). *A Comprehensive History of Medieval* India *from the Twelfth to the Mid-Eighteenth Century.* Delhi, India : Pearson.

৯.৮ অগ্রগতি নিৰীক্ষণ

১নং প্রশ্নৰ উত্তৰ ঃ (ক) স্থাপত্য আৰু গম্বুজসমূহ।

(খ) অনুলিখন, ফুলৰ বুটাবছা শৈলী আৰু জ্যামিতিক পৰিমাপৰ শৈলী।

২নং প্রশ্নৰ উত্তৰ ঃ (ক) আমীৰ খুচৰু।

(খ) চান্দা বৰদৈ।

(গ) বংগ।

৯.৭ আৰ্হি প্রশ্নাৱলী

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

১) দিল্লীৰ চুলতানী আমোলৰ স্থাপত্যৰ বৈশিষ্ট্য কি আছিল?

২) দিল্লীৰ চুলতানী আমোলত নির্মিত সর্বপ্রথম অট্টালিকা কোনবিলাক আছিল?

৩) আঞ্চলিক ভাষাক জনপ্রিয় কৰি তোলাত ভক্তি আন্দোলনৰ কি ভূমিকা আছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১) দিল্লীত চুলতানী আমোলত হোৱা চিত্রকলাৰ বিকাশৰ ওপৰত আলোকপাত কৰক।

২) চুলতানী সময়ছোৱাত সংস্কৃত সাহিত্যৰ বিকাশ আৰু গুৰুত্বৰ মূল্যায়ন কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০০টা শব্দৰ ভিতৰত দিয়ক)

১) সংগীত জগতলৈ চুলতানী শাসকসকলৰ অৱদান বিশ্লেষণ কৰক।

২) দিল্লী চুলতানসকলৰ শাসন কালত ইণ্ডো-ইচলামিক স্থাপত্যৰ প্রকৃতিৰ বিষয়ে আলোচনা কৰক।

****